# 2 0 1 9

## ASSAMESE

## ( Major )

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) গুণাভিৰাম বৰুৱাই ৰচনা কৰা নাটকখনৰ নাম কি?

(খ) 'বেলিমাৰ' নাটকখন কাৰ ৰচনা?

(গ) 'পাচনি' কোন শ্ৰেণীৰ নাটক?

(ঘ) মূলাগাভৰুৰ আচল নাম কি আছিল?

(ঙ) প্ৰান্তদেশৰ অধিপতিগৰাকীৰ নাম কি আছিল?

(চ) জাতিলাও কোন আছিল?

(ছ) নুমলী কাৰ পত্নী আছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) পদ্মনাথ গোহাঞি বৰুৱাৰ দ্বাৰা ৰচিত দুখন ধেমেলীয়া নাটৰ নাম লিখা।

(খ) 'ৰূপালীম' নাটখন কোন চনত, কোন ৰঙ্গমঞ্চত প্ৰথমবাৰৰ বাবে অভিনীত হৈছিল?

(গ) কোন বৰ্ষত, কিমান তাৰিখে মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল?

(ঘ) স্বৰ্গদেৱে কাৰ কাৰ মুণ্ডমালা চৰাইদেউ পৰ্বতৰ ওপৰত গাঁথি থবলৈ দুৱৰা ফুকনক আদেশ দিছিল?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) প্ৰথম অসমীয়া সামাজিক নাট 'ৰাম-নৱমী' নাটখনৰ মূল বিষয়বস্তু কি? আলোচনা কৰা।

(খ) জুনাফাই নিজৰ জীয়েক ৰূপালীমক কিয় অসতী বুলি ক'ব লগা হৈছিল, আলোচনা কৰা।

(গ) ইতিভেনে মণিমুঙ্কক কিয় শিকলিৰে মূৰত কোব মাৰিছিল আৰু তাৰ ফলত কি হৈছিল, আলোচনা কৰা।

(ঘ) হৰনাথ দাৰোগাই ফুলকুমাৰীক কিয় চমতাৰে কোবাইছিল, চমুকৈ আলোচনা কৰা।

(ঙ) দিহিঙীয়া ৰজা কোন আছিল আৰু তেওঁৰ ৰাজ্য কোনে আক্ৰমণ কৰিছিল, বৰ্ণনা কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) আধুনিক অসমীয়া নাটকৰ এক চমু পৰ্যালোচনা দাঙি ধৰা।

(খ) 'ৰূপালীম' নাটখনত কাব্যিক উপাদান কেনেদৰে দৃষ্টিগোচৰ হয়, আলোচনা কৰা।

(গ) ঐতিহাসিক নাট হিচাবে 'মণিৰাম দেৱান' নাটখনৰ এটি চমু পৰ্যালোচনা আগবঢ়োৱা।

(ঘ) 'মণিৰাম দেৱান' নাটখনৰ মাজেৰে মণিৰাম দেৱানৰ দেশপ্ৰেমৰ চানেকি কিদৰে অভিব্যক্ত হৈছে, বিচাৰ কৰা।

(ঙ) 'হেংদাং' নাটৰ মাজেৰে অসমীয়া নাৰীৰ বীৰগাথা কেনেদৰে ঘোষিত হৈছে, আলোচনা দাঙি ধৰা।

★★★